بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰ যুদ্ধৰ প্ৰস্তুতি প্ৰক্ৰিয়া আৰু ঘটনাৱলীৰ লগতে চাহাবা সকলৰ পথপ্ৰদৰ্শক নবী (ছাঃ)ৰ প্ৰতি থকা অনুষা আনুগত্যৰ ঈমান বৰ্দ্ধক বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ্ আলখামিছ (আইঃ)য়ে ২৩ জুন ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ লণ্ডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেনেকৈ যোৱা খোতবাত বৰ্ণনা কৰা হৈছিল যে আঁহজৰত (ছাঃ)য়ে পঠোৱা বাৰ্তা বাহকে যেতিয়া এয়া খবৰ দিছিল যে কুৰাইছৰ সৈন্য বাহিনী ব্যৱসায়ী দলৰ নিৰাপত্তাৰ অৰ্থে আগুৱাই আহি আছে তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এই সম্পৰ্কে সকলো বিৱৰি চাহাবা সকলক জনায় আৰু সকলোৰে পৰা পৰামৰ্শ বিচাৰে।

হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত উমৰ (ৰাঃ)ৰ বাদে হজৰত মিকদাদ বিন আমৰ (ৰাঃ)য়ে কৈছিল যে আমি তেনেকুৱা উত্তৰ নিদিও যেনেকৈ ইস্ৰাইল সকলে মুছা (আঃ)ক দিছিল অনুবাদ ঃ অৰ্থাৎ যোৱা তুমি আৰু তোমাৰ সৃষ্টিকৰ্তায় যুদ্ধ কৰাগৈ, আমি ইয়াতে বহি থাকিম, বৰং আমি আপোনাৰ লগত থাকিম আপুনি যি সিদ্ধান্ত ল'ব আৰু আমি আপোনাৰ লগতে থাকি শত্ৰুৰ বিৰুদ্ধে যুঁজ দিম। সেই সত্তাৰ শপত যিজনাই আপোনাক সত্যৰ সৈতে প্ৰেৰণ কৰিছে। যদি আপুনি আমাক বৰকুলগামা লৈকেও লৈ যায় তথাপি আমি আপোনাৰ লগতে যাম। ৰছুলুল্লাহ (ছাঃ)য়ে এনে উত্তৰ শুনি তেওঁলোকক আশীৰ্বাদ দিছিল আৰু দোৱা কৰিছিল।

এজন লিখকে লিখিছে যে বৰকুলগামা মক্কাৰ পৰা দক্ষিণ ফালে চাৰিশ মাইল মান দূৰত থকা এখন দুৰ্গম ঠাই। যলৈ ভ্ৰমণ কৰাটো বৰ দুষ্কৰ বুলি কোৱা হয়। গতিকে এই কথাৰ অৰ্থ হ'ল আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক যলৈকে লৈ যাব তালৈকেই যাব।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ), হজৰত উমৰ (ৰাঃ) আৰু হজৰত মিকদাদ (ৰাঃ) তিনিও জনেই মুহাজিৰিণ

আছিল সেয়ে ৰছুলুল্লাহ (ছাঃ)য়ে আনছাৰ সকলৰ কি সিদ্ধান্ত সেয়া শুনিবলৈ ইচ্ছা কৰিছিল। গতিকে হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে কৈছিল যে আমি আপোনাৰ আদেশ নিষেধ মানি ল'বলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছো, গতিকে আমাক যতেই লৈ যাব তাতেই যাবলৈ সাজু আছো।

গতিকে আল্লাহৰ কল্যাণ সাপেক্ষে আপুনি আমাক লগত লৈ যাত্ৰা কৰক। যিয়েই নহওঁক হজৰত ছাআদ (ৰাঃ)ৰ এই কথা শুনি ৰছুলুল্লাহ (ছাঃ)য়ে বৰ আনন্দিত হৈ কৈছিল যে আল্লাহ তা'লা মোক দুটা দলৰ (অৰ্থাৎ সামৰ বণিক কাফেলা নাইবা কাফিৰে মক্কাৰ বাহিনী)ৰ মাজত এটাৰ ওপৰত বিজয় প্ৰাপ্তিৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। মই সেই ঠাই দেখিবলৈ পাই আছো য'ত শত্ৰুৰ লোক সকল নিহত হৈ পৰিব।

এই কথা শুনি চাহাবা সকলে প্ৰশ্ন কৰিছিল ইয়া ৰছুলুল্লাহ ! যিহেতু আপুনি কুৰাইছ বাহিনীৰ খবৰ আগতেই জানিছিল তেন্তে আপুনি আমাক মদিনাত থাকোতে এই যুদ্ধৰ আগতেই জানিছিল তেন্তে আপুনি আমাক মদিনাত থাকোতে এই যুদ্ধৰ কথা কিয় কোৱা নাই, আমি অলপ হলেও প্ৰস্তুতি লৈ ওলাব পাৰিলোহেঁতেন। কিন্তু সকলো খবৰ আৰু পৰামৰ্শ হোৱাৰ পিছত আঁহজৰত (ছাঃ)ৰ ফালৰ পৰা আল্লাহ তা'লাৰ সুসংবাদ শুনা সত্ত্বেও চাহাবা সকলে অনুমান কৰিব পৰা নাছিল যে উল্লেখিত দুটা ফালৰ পৰা কোনটোৰ ওপৰত মুছলমান সকলে জয়লাভ কৰিব আৰু মুছলমান সকলে এয়াও গম পোৱা নাছিল যে কোনটো দলৰ মুখামুখী তেওঁলোকে হ'ব লাগিব। মুছলমান সকলে কেৱল এয়াই ভাৱিছিল যে সেই দুটা দলৰ মাজত এটাৰ লগত সংঘৰ্ষ হ'ব। সেয়ে মুছলমান সকলে দুৰ্বল দলটোৰ লগত অৰ্থাৎ বণিক কাফেলাৰ মুখামুখী হোৱাৰ কামনা কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে বদৰ যুদ্ধৰ সময়ত ৰছুলুল্লাহ (ছাঃ)য়ে আনছাৰ সকলৰ ফালৰ পৰা পৰামৰ্শ বিচাৰিছিল। আনছাৰ সকলে ধাৰণা কৰিছিল যে যুদ্ধলৈ অহা লোক সকল হ'ব মক্কাৰ লোক গতিকে তাতে আমি পৰামৰ্শ দিলে মুহাজিৰিণ সকলে কিজানি ভাৱিব যে এওঁলোক আমাৰ ভাই আৰু আত্মীয় সকলৰ বিৰুদ্ধে যুঁজ দিবলৈ পৰামৰ্শ দি আছে। কিন্তু ৰছুলুল্লাহ (ছাঃ)য়ে বাৰে বাৰে পৰামৰ্শ দিয়াৰ কথা উল্লেখ কৰাত আনছাৰ সকলে দ্বিধাবোধ প্ৰকাশ কৰে আৰু কয় যে আমি সকলো অৱস্থাতে আপোনাৰ লগত থাকিম। আনছাৰ সকলৰ ৰায় শুনাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে তাৰ পৰা যাত্ৰা আৰম্ভ কৰে আৰু বদৰৰ ওচৰত গৈ উপস্থিত হয়। ইয়াৰে কিছু সময় পিছত আঁহজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাৰ পৰা ওলাই এজন আৰবীয়ান বৃদ্ধ লোকৰ ওচৰলৈ যায় আৰু কুৰাইছ সকলৰ বিষয়ে প্ৰশ্ন কৰে। বৃদ্ধলোক জনে কয় যে মই গম পাইছো যে মহম্মদ (ছাঃ) আৰু তেখেতৰ চাহাবা সকলে অমুক দিনা যাত্ৰা কৰিছে। যদি এই কথা শুদ্ধ হয় তেন্তে তেওঁলোকে আহি এতিয়া এই ঠাই পাইছেহি। মই এয়াও গম পাইছো যে কুৰাইছ সকলে অমুক দিনা যাত্ৰা কৰিছে আৰু যদি এই কথা শুদ্ধ হয় তেন্তে তেওঁলোকে আহি অমুক ঠাই পাইছেহি। কথাবোৰ কোৱাৰ পিছত সেই বৃদ্ধজনে প্ৰশ্ন কৰে যে আপোনালোকে কোন হয় ? তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে পৰিচয় গোপন কৰি কয় যে আমি পানী বিচাৰি আহিছো। এই কথায় সুচায় যে ৰছুলুল্লাহ (ছাঃ)য়ে যেনিবা বদৰৰ নিজৰাৰ কথা কলে। আল্লাহ উত্তম ভাৱে জানে।

তাৰে পৰা ওভতি অহাৰ পিছত গধুলিত আঁহজৰত (ছাঃ) আৰু হজৰত আলি (ৰাঃ), হজৰত জুবেৰ (ৰাঃ), হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ) লগতে আৰু কিছুমান চাহাবা বদৰৰ নিজৰাৰ ফালে যাত্ৰা কৰে যাতে শত্ৰু সকলৰ আৰু কিছু খবৰ ল'ব পাৰে। এখেত সকলে তাত গৈ দুজন লোকক গ্ৰেপ্তাৰ কৰি লৈ আনে। ৰছুলুল্লাহ (ছাঃ)য়ে প্ৰশ্ন কৰাত লোক দুজনে জনায় যে বহু সংখ্যক কুৰাইছ সেই পাহাৰৰ আঁৰত উপস্থিত আছে। তেওঁলোকে এদিন এটা উটত আকৌ এদিন দহটা উট জবাই কৰে। এই কথা শুনি ৰছুলুল্লাহ (ছাঃ)য়ে অনুমান কৰে যে কুৰাইছ সকলৰ সংখ্যা ন হেজাৰ অথবা দহ হেজাৰৰ ভিতৰত হ'ব। ইয়াৰ পিছত লোক দুজনে কেইবাজন কুৰাইছ চৰদাৰৰ

নাম কৈছিল যিসকলে সেই কুৰাইছ বাহিনীৰ লগত আছিল। আঁহজৰত (ছাঃ)য়ে কৈছিল যে মক্কায় তোমালোকৰ আগত নিজৰ কলিজা উলিয়াই পঠিয়াইছে। এয়া বৰ প্ৰজ্ঞাবান আৰু বুদ্ধিমুত্তা সম্পন্ন শব্দ আছিল। যিবোৰ আঁহজৰত (ছাঃ)ৰ মুখেৰে আপুনা আপুনি ওলাই আহিছিল। যাৰ ফালত চাহাবা সকলৰ হৃদয় মজবুত হৈ পৰিছিল যে খোদা তা'লা নিশ্চয় তেওঁলোকক বিজয় দান কৰিব।

এনেতে হজৰত হাববাব বিন মনজৰ (ৰাঃ)য়ে কৈছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ)! আপুনি ইলাহি আদেশ অনুযায়ী ইয়াতে আহি অৱস্থান কৰিছে নে আপোনাৰ নিজৰ সিদ্ধান্ত, এনে এয়া আপোনাৰ যুদ্ধ কৌশল হয় ? তেখেত (ছাঃ)য়ে কৈছিল যে হয়। এয়া যুদ্ধ কৌশল হয়। তেতিয়া হাববাবে কৈছিল যে তেন্তে এই ঠাইখন উপযুক্ত নহয় বৰং শত্ৰু সকলৰ পানীৰ ওচৰত থকা ঠাইত অৱস্থান কৰা যাওঁক আৰু সকলো নাদ আদি বন্ধ কৰি দিয়া যাওঁক আৰু আমাৰ বাবে এটা পানীৰ টাঙ্ক ভৰ্তি কৰি লোৱা যাওঁক। তেহে যেতিয়া আমি শত্ৰুৰ সৈতে যুদ্ধত নামি যাম তেতিয়া আমাৰ বাবে পানী যোগান সহজ হ'ব আৰু শত্ৰু সকলে পানী নোপোৱা হ'ব। হুজুৰ (ছাঃ)য়ে এই পৰামৰ্শ গ্ৰহণ কৰে আৰু শত্ৰু সকলৰ ওচৰত থকা নাদৰ কাষত ছাইনী পাতি বাকী নাদ বিলাক বন্ধ কৰি দিয়ে আৰু নিজৰ লোক সকলৰ বাবে এখন পানীৰ ট্যাঙ্ক ভৰ্তি কৰি লয়। হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ মতে পথাৰৰ এটা কাষত আঁহজৰত (ছাঃ)ৰ নিমিত্তে এখন তম্বুৰ  ব্যৱস্থা কৰে আৰু তেখেত (ছাঃ)ৰ বাহনও তাতে বান্ধি লয়। তেওঁ আঁহজৰত (ছাঃ)ক কয় যে আপুনি ইয়াতে অৱস্থান কৰিব আৰু আমি যুদ্ধ কৰিম, যদি আমি পৰাজিত হওঁ তেন্তে আপুনি এই বাহনত মদিনালৈ ওভতি যাব। আমাৰ ভাই সকলে আপোনাক হিফাজত কৰিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই সম্পৰ্কে কৈছে যে যেতিয়া মুছলমান সকলে গৈ বদৰ প্ৰান্তত উপস্থিত হৈছিল তেতিয়া চাহাবা সকলে বুজা পৰামৰ্শ কৰি আঁহজৰত (ছাঃ)ৰ কাৰণে এখন ওখ ঠাইত তম্বু লগাই তাতে বহিবলৈ দিছিল আৰু আটাইতকৈ বেগী উট এটা তাতে বান্ধি ৰাখিছিল আৰু আঁহজৰত (ছাঃ)ক কৈছিল আমি সংখ্যাত কম আৰু শত্ৰু সংখ্যা বহুত বেছি। আমাৰ মৃত্যুলৈ একো ভ্ৰুক্ষেপ নাই, আমি আপোনাৰ বাবে চিন্তিত। আমি যদি মৃত্যু বৰণ কৰো তেন্তে ইছলামৰ একো ক্ষতি নহয়। কিন্তু আপোনাৰ সৈতে ইছলামৰ ভৱিষ্যত জড়িত আছে। গতিকে আমি আপোনাৰ নিৰাপত্তাৰ উপায় উলিওৱাৰ  প্ৰয়োজন আছে। যদি আমি দুৰ্ভাগ্য বশত! এজন এজনকৈ শ্বহীদ হৈ যাওঁ তেন্তে আপুনি এই উটৰ পিঠিত আৰোহণ কৰি মদিনালৈ ওভতি যাব তাতে আমাৰ ভাই সকলে আপোনাৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিব।

যিয়েই নহওঁক আঁহজৰত (ছাঃ)য়ে না এওঁলোকৰ কথা মানি লৈছিল না মানি ল'ব পাৰিছিল যদিও এয়া আছিল চাহাবা সকলৰ ব্যাকুল অনুপ্ৰেৰণাৰ চানেকি।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আলি (ৰাঃ)য়ে এবাৰ কৈছিল যে চাহাবা সকলৰ মাজত আটাইতকৈ বীৰ আৰু সাহসী আছিল হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)। বদৰৰ যুদ্ধৰ সময়ত যেতিয়া ৰছুলে কৰিম (ছাঃ)ৰ নিমিত্তে এটা পৃথক কোঠালি বনোৱা হৈছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কোষমুক্ত তৰোৱাল হাতত লৈ থিয় হয় আৰু সেই বিপদজ্জনক পৰিস্থিতিত আঁহজৰত (ছাঃ)ক নিৰাপদে ৰখাৰ কাম সম্পন্ন কৰে।

ৰাতিপুৱা যেতিয়া কুৰাইছ সৈন্য যুদ্ধ ক্ষেত্ৰলৈ আগবাঢ়ি আহে তেতিয়া আঁহজৰত (ছাঃ)য়ে খোদা তা'লাৰ দৰবাৰত দোৱা কৰিছিল যে হে আল্লাহ ! তুমি যি সহায় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছা সেয়া পূৰ্ণ কৰা, আৰু আজিয়ে তাৰ অন্ত পেলাই দিয়া।

যেতিয়া কুৰাইছৰ সৈন্যদল বদৰৰ যুদ্ধ ময়দানত আহি নামিছিল তেতিয়া তাৰে এটা দলে আহি হুজুৰ (ছাঃ)ৰ পানীৰ টেঙ্কৰ পৰা পানী পান কৰিবলৈ লৈছিল। সিহঁতৰ  মাজত হাকিম বিন হজমও আছিল। সেই দিনাখন যিমান

কেইজনে সেই টেঙ্কৰ পৰা পানী পান কৰিছিল কেৱল মাত্ৰ হাকিম বিন হজামৰ বাদে সকলোৱেই যুদ্ধত নিহত হৈছিল। পিছত হাকিম বিন হজাম মুছলমান হৈছিল। কুৰাইছ সকলে যুদ্ধ ময়দানলৈ অহাৰ আগতেই আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক শাৰী পাতিবলৈ দিছিল। তেখেত (ছাঃ)য়ে তীৰৰ দ্বাৰা ইঙ্গিত দি আছিল। মুছাইব বিন উমেৰ (ৰাঃ)ক পতাকা প্ৰদান কৰিছিল। শাৰী নিৰীক্ষণ কৰাৰ সময়ত যেতিয়া আঁহজৰত (ছাঃ)য়ে ছোৱাড বিন গাজিয়াৰ ওচৰেদি যাবলৈ লয় তেতিয়া ছোৱাড (ৰাঃ) শাৰীৰ বাহিৰত আছিল। তেখেত (ছাঃ)য়ে ছোৱাডৰ পেটত তীৰ লগাই কৈছিল যে পোন হৈ যোৱা। ছোৱাড (ৰাঃ)য়ে কৈছিল যে আপুনি মোক কষ্ট দিছে গতিকে তাৰ পোতক তুলিব দিয়ক। এই কথা শুনি আঁহজৰত (ছাঃ)য়ে নিজৰ পেটৰ কাপোৰ গুচাই কৈছিল লোৱা, প্ৰতিশোধ লোৱা।

হজৰত ছোৱাড (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ বুকুত বুকু মিলাই তেখেত (ছাঃ)ৰ শৰীৰত চুম্বন কৰিবলৈ লয় আৰু কয় যে মই বিচাৰিছিলো যে মোৰ জীৱনৰ শেষ নিশ্বাসলৈকে আপোনাৰ লগত এনেকৈয়ে পাৰ হৈ যাওঁ যে মোৰ শৰীৰ আপোনাৰ শৰীৰৰ লগত একাকাৰ হৈ যাওঁক। তেতিয়া হুজুৰ (ছাঃ)য়ে তাৰ  বাবে আশীৰ্বাদ কৰি দোৱা কৰিছিল। এয়াই আছিল প্ৰেম ভাল পোৱাৰ দৃশ্য। বৰ্ণনাৰ বাকী অংশ ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত মকৰম কাৰি মহম্মদ আশিক চাহাব (প্ৰাক্তন শিক্ষক জামিয়া আহমদীয়া,প্ৰিন্সিপাল মাদ্ৰাছাতুল হিফজ ৰাবোৱা । চৌদি আৰবৰ এখন কাৰাগাৰত থকা কয়েদী অৱস্থাত মৃত্যু বৰণ কৰা মকৰম নুৰ উদ্দিন আলহুছনি চাহাব (ছিৰিয়া) দুয়োজন মৰহুমৰ জীৱনী আৰু জামাতি খিদমতৰ চমু বিৱৰণ দিয়ে আৰু নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যাদা উন্নীত কৰক আৰু আত্মাৰ সদগতি প্ৰদান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA HUZUR ANWAR aba 23 JUNE 2023

BOOK POST PRINTED MATTER

TO....................................................................................................

From:-Ahmadiyya Circle Office Abhayapuri M.G. Road w/n -IV, Bongaigaon Assam 783384
#6000032598, 9707110844